# অসম আদিত্য

আঘোণ, ১৯৪৭ শক ■ মঙলবাৰ, ১৬ ডিচেম্বৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, December 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী




ছোনিয়া

ৰীমাখ



## বাণীপুৰ সাহিত্য সভাৰ ৰূপালী জয়ন্তী



**ডিব্ৰুগড়, ১৫ ডিচেম্বৰ ঃ** যোৱা ১৩ আৰু ১৪ ডিচেম্বৰ শনি আৰু দেওবাৰে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে বাণীপুৰ সাহিত্য সভাৰ ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা হয়। প্ৰথম দিনাৰ কাৰ্যসূচীত চাফাই অভিযান, পতাকা উত্তোলন, স্মৃতি তৰ্পণ, মঞ্চ মুকলিৰ লগতে 'আকাশ', 'ৰামধেনু' আৰু 'কুঁহি' অনুষ্ঠানৰ অন্তৰ্ভুক্ত হিচাপে বিয়ানাম, উৰুলি, কবিতা আবৃত্তি, চিত্ৰাংকণ, আকস্মিক বক্তৃতা, সাধু কোৱা প্ৰতিযোগিতা সম্পাদিত কৰা হয়। অধিৱেশনৰ দ্বিতীয় দিনৰ কাৰ্যসূচী আৰম্ভ হয় বাণীপুৰৰ মহিলাসকলৰ দ্বাৰা পৰিৱেশিত 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে। ইয়াৰ পিছতে অনুষ্ঠিত 'অসমীয়া ভাষা সাহিত্যৰ ভৱিষ্যত আৰু প্ৰত্যাহ্বান' শীৰ্ষক আলোচনা চক্ৰৰ সঞ্চালনা কৰে সাহিত্যাচাৰ্য ড০ কৰবী ডেকা হাজৰিকাই আৰু আলোচক হিচাপে উপস্থিত থাকে তিনিচুকীয়া বিমেনজ কলেজৰ অধ্যাপক ড০ কৰবী বৰুৱা গগৈ। দুয়োগৰাকীয়ে অসমীয়া ভাষাৰ মূল কালিকাটো ৰক্ষা কৰাৰ দিশত সকলোকে গুৰুত্ব দিবলৈ আহ্বান কৰে। ইয়াৰ পিছত অনুষ্ঠিত হয় মুকলি সভা। মুকলি সভাৰ সভাপতিত্ব কৰে বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই। তেওঁ সভাপতিৰ অভিভাষণত বাণীপুৰৰ ইতিহাস আৰু সমাজ-সংস্কৃতিৰ সন্দৰ্ভত আলোকপাত কৰে। সভাত মুখ্য অতিথি হিচাপে অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্তকুমাৰ গোস্বামীয়ে মনোগ্ৰাহী বক্তব্যৰে সকলোকে আপ্লুত কৰে। তেওঁ অসম সাহিত্য সভাৰ ভৱিষ্যত কাৰ্যপন্থা, ভাষা সাহিত্যৰ সাম্প্ৰতিক স্থিতি আদি দিশত মত প্ৰকাশ কৰি ৰূপালী জয়ন্তী উদ্‌যাপন কৰা বাণীপুৰ শাখা সাহিত্য সভাক অভিনন্দন জনায় আৰু শুভেচ্ছা জ্ঞাপন কৰে। এই মুকলি সভাত অসম সাহিত্য সভাৰ শতবৰ্ষীয় শিৱসাগৰ অধিৱেশনৰ সভাপতি পদ্মশ্ৰী প্ৰহ্লাদ চন্দ্ৰ তাছা, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ সভাপতি বদন গগৈ, ডিব্ৰুগড় জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কৃষ্ণ কান্ত বৰা, বিশিষ্ট শিশু সাহিত্যিক প্ৰসেনজিৎ কুমাৰ গোস্বামী, অনিৰুদ্ধদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক পংকজ বৰঠাকুৰ, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় অধ্যক্ষ ড০ শশীকান্ত শইকীয়া, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য নোমল গগৈ, অসম সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য পৰমেশ্বৰ নলবৰীয়া উপস্থিত থাকি বহুমূলীয়া বক্তব্যৰে বাণীপুৰ শাখা সাহিত্য সভাক সমৃদ্ধ কৰে। এই সভাতে বাণীপুৰ শাখা সাহিত্য সভাৰ ৰূপালী জয়ন্তী উদ্‌যাপনৰ লগত সংগতি ৰাখি, স্মৃতিগ্ৰন্থ 'বাণী সৌৰভ'ৰ লগতে ঝৰ্ণা শইকীয়া আৰু বিষ্ণু গোহাঁইৰ দুখন গ্ৰন্থ ড০ বসন্তকুমাৰ গোস্বামীয়ে উন্মোচন কৰে। সভাৰ শেষত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে শাখা সভাৰ সম্পাদক ড০ দিব্যজ্যোতি বৰাই। বাণীপুৰ শাখা সাহিত্য সভাৰ সভাপতি অজয় কুমাৰ দত্তই মঞ্চ উন্মোচন কৰাৰ লগে লগে সাংস্কৃতিক সন্ধিয়াৰ শুভাৰম্ভ হয় বাণীপুৰ মহিলা সমিতিৰ সভানেত্ৰী তথা ডিব্ৰুগড় জিলা মহিলা পতঞ্জলি যোগ সমিতিৰ জিলা প্ৰভাৰী উষা দত্তই কৰা বন্তি প্ৰজ্বলনেৰে। ইয়াৰ পিছত বৰগীত, আলেখ্য, জুবিনৰ শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, দলীয় আৰু একক নৃত্য, স্থানীয় শিল্পীৰ গীতৰ শৰাই আদিয়ে সাংস্কৃতিক সন্ধিয়া জীপাল কৰি তোলে।

কেইৰাটাও ৰাজ

## টেঙাখাতৰ বৰবা

**বিশেষ প্ৰতিবেদক, টেঙাখাত, ১৫ ডিচেম্বৰ ঃ** টেঙাখাত ১ নং বৰবাম গাঁৱৰ হৰিমন্দিৰ পৰিচালনা সমিতিৰ তৰফৰ পৰা ৰাজহুৱা স্বাৰ্থজড়িত কেইবাটাও দাবী কাৰ্যকৰণৰ বাবে এখন স্মাৰক-পত্ৰ ইতিমধ্যে দুলীয়াজান অইল ইণ্ডিয়া লিমিটেডলৈ প্ৰেৰণ কৰে যদিও কোম্পানীৰ তৰফৰ পৰা আজি পৰ্যন্ত কাৰ্যকৰী নকৰাত গাঁওবাসী ক্ষোভিত হৈ আজি হাতীবন্ধা ১নং বৰবামত অৱস্থিত অইল ইণ্ডিয়া লিমিটেডৰ এএইচআৰ খাদলৈ অহা সকলো যান-বাহন যথেষ্টসংখ্যক স্থানীয় পুৰুষ-মহিলাই বন্ধ কৰি অইল অৱৰোধ কাৰ্য্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলৰ দাবীসমূহ হৈছে- (১) এই অঞ্চলত এএইচআৰ খাদলৈ যোৱা বেলবাৰী পথৰ পৰা চৈয়াং পিডব্লিউডি পথত সংযোগ হোৱা পথটো বহল কৰা ব্যৱস্থা কৰাৰ লগতে ভাগি যোৱা পুলৰ পিলাৰকেইটা আৰু ভাগি যোৱা পথটো ভালকৈ বনোৱাৰ ব্যৱস্থা কৰা (২) এই গাঁৱৰ হৰি মন্দিৰৰ প্ৰয়োজনীয় কিছু সামগ্ৰী দিয়াৰ ব্যৱস্থা কৰা (৩) চৈয়াং পিডব্লিউডি পথটো বানপানীয়ে ভঙা স্থানত গাঁতটো পোতাৰ লগতে মেৰামতিৰ ব্যৱস্থা কৰা (৪) অইল ইণ্ডিয়াৰ বিষাক্ত কেমিকেলৰ পাইপডাল চৈয়াং পিডব্লিউডি পথেদি নিয়াৰ ব্যৱস্থা বন্ধ কৰা নতুবা ভালকৈ পোতাৰ ব্যৱস্থা কৰা (৫)

